**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। নতুন দিল্লীৰ ভাৰত মণ্ডপমত জি এছ্ টি পৰিষদৰ ৫৭ সংখ্যক বৈঠক অনুষ্ঠিত হৈছে।
২। পাকিস্তানে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত দুমুখীয়া নীতি গ্ৰহণ কৰি আহিছে বুলি ভাৰতে অভিযোগ উত্থাপন কৰিছে।
৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৯৪ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে বাহিনীটোৰ সাহসী যোদ্ধাসকলক প্ৰণিপাত জনাইছে।
৪। প্ৰসিদ্ধ অভিনেতা নানা পাটেকাৰৰ আজি পুৱা নিজা বাসগৃহত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে।

*আৰু*

৫। ইজিপ্তৰ কাইৰ'ত আজিৰে পৰা বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰতিযোগিতাত ভাৰতৰ ৩৫-জনীয়া দলে অংশগ্ৰহণ কৰিব।

০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ৫৭ সংখ্যক সামগ্ৰী আৰু সেৱা কৰ– জি এছ্ টি পৰিষদৰ বৈঠক চলি আছে। এই বৈঠকত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে অধ্যক্ষতা কৰিছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিচ, কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ, জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুলা, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনী আৰু ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বিত্ত মন্ত্ৰীসকল অনুষ্ঠানত উপস্থিত আছে।

জি এছ্ টি পৰিষদৰ এই বৈঠকত নীতি সংস্কাৰৰ সম্পৰ্কীয় বিবাদসমূহ সমাধান কৰাৰ উদ্দেশ্যে আলোচনা আৰু কৰ সংগ্ৰহ ব্যৱস্থা উন্নত কৰা সন্দৰ্ভত আলোচনা কৰিব। বিত্ত মন্ত্ৰালয়ে জনোৱা মতে চৰকাৰে জি এছ্ টি ব্যৱস্থা সংস্কাৰৰ বাবে ৫টা পৰিকল্পনাৰ প্ৰস্তাৱ দিছে। এই সংস্কাৰৰ জৰিয়তে জি এছ্ টি ব্যৱস্থা সহজ আৰু স্বয়ংক্ৰিয় কৰি তোলাৰ লক্ষ্য লোৱা হৈছে।

উল্লেখযোগ্য যে যোৱা বৰ্ষৰ ছেপ্তেম্বৰত জি এছ্ টি পৰিষদৰ ৫৬ সংখ্যক বৈঠকত অনুষ্ঠিত হৈছিল। সেই বৈঠকতে পৰিষদে সাধাৰণ জনতা, শ্ৰমকেন্দ্ৰিক উদ্যোগ, কৃষি আৰু কৃষক, স্বাস্থ্য আৰু অৰ্থনীতিৰ মূল চালিকাশক্তিসমূহক কেন্দ্ৰ কৰি যুক্তিসন্মত জি এছ্ টি নিৰ্ধাৰণৰ বাবে অনুমতি প্ৰদান কৰে।

০০০০০০০

পাকিস্তানে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত দুমুখীয়া নীতি গ্ৰহণ কৰি আহিছে বুলি ভাৰতে অভিযোগ উত্থাপন কৰিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত উত্তৰ দিয়াৰ অধিকাৰৰ প্ৰয়োগ কৰি প্ৰথম সচিব ৰঘু পুৰীয়ে কয় যে পাকিস্তানে জেইছ-এ-মহম্মদৰ মুৰব্বী মাছুদ আজহাৰৰ সন্তেদ দিব পৰাজনক পুৰস্কাৰ প্ৰদানৰ ঘোষণা কৰি সন্ত্ৰাসবাদী সংগঠনসমূহলৈ সমৰ্থন আগবঢ়োৱাৰ বিষয়টো গাপ দিয়াৰ চেষ্টা কৰি আহিছে। বিশ্বই ১১ নৱেম্বৰ, ২৬ নৱেম্বৰ আৰু পেহেলগাম আক্ৰমণৰ কথা পাহৰিব পৰা নাই বুলি তেওঁ উল্লেখ কৰে। সন্ত্ৰাসবাদক ঘোষণাৰে পৰাভূত কৰিব পৰা নাযায় বুলি উল্লেখ কৰি শ্ৰীপুৰীয়ে সন্ত্ৰাসবাদৰ ষড়যন্ত্ৰকাৰী, পুঁজি যোগান ধৰা আৰু পৃষ্ঠপোষকতা কৰাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ মাছুদ আজহাৰ আফগানিস্তানত আত্মগোপন কৰি থকা বুলি পাকিস্তানে কৰা দাবীক লৈ প্ৰশ্ন উত্থাপন কৰি কয় যে তালিবান চৰকাৰে ইতিমধ্যে এই দাবী প্ৰত্যাখান কৰিছে। তেওঁ লগতে আজহাৰৰ সন্তেদ দিলে ৭০ লাখ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি পাকিস্তানে নতুনকৈ কৰা ঘোষণাক আভুৱাভাৰাৰ প্ৰয়াস বুলি অভিহিত কৰে।

ভয়াবহ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাসমূহৰ বিষয়ে স্মৰণ কৰি শ্ৰীপুৰীয়ে কয়, যে সন্ত্ৰাসবাদীসকলক নিৰাপদ আশ্ৰয়স্থলী প্ৰদান কৰাৰ দৰে কাৰ্যই এনে ঘটনাৰ বলি হোৱা লোকসকলক ন্যায়ৰ পৰা বঞ্চিত কৰে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলোৱা আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টাক দুৰ্বল কৰি তোলে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৯৪ সংখ্যক ভাৰতীয় বায়ুসেনা দিৱস উপলক্ষে বায়ুসেনাৰ সাহসী যোদ্ধাসকলক অভিবাদন জনাইছে। নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত শ্ৰী মোদীয়ে আজিৰ দিনটোত দেশৰ বাবে বিশেষ দিন বুলি অভিহিত কৰে।

বাইট

উল্লেখযোগ্য যে এইবেলি বায়ুসেনা দিৱস উদযাপনৰ মূল বিষয় হৈছে 'ভাৰতীয় বায়ুসেনা- নিৰ্ভুল, অভেদ্য আৰু নিখুঁত'। বায়ুসেনা দিৱসৰ প্ৰাকক্ষণত আকাশবাণীৰ জৰিয়তে দিয়া বাৰ্তাত বায়ুসেনাৰ মুৰব্বী এয়াৰ চীফ মাৰ্শ্বাল অমৰ প্ৰীত সিঙে কয়, যে ভাৰতীয় বায়ুসেনা সজাগতা আৰু দৃঢ় দায়বদ্ধতাৰে দেশক ৰক্ষা কৰিবলৈ সদায় সাজু। তেওঁ কয়, যে যোৱা বছৰ অপাৰেচন সিন্দূৰে সংহত বিমান অভিযানৰ গুৰুত্বপূৰ্ণ শক্তিক পুনৰ দৃঢ় কৰি তুলিছিল আৰু দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ ক্ষমতা প্ৰদৰ্শন কৰিছিল। তেওঁ কয়, যে চলিত বৰ্ষত বায়ুশক্তি অনুশীলন, বিভিন্ন দ্বিপাক্ষিক অনুশীলন, দ্ৰোনাথন আৰু চলি থকা ঐতিহাসিক বহুপাক্ষিক বিমান অনুশীলন তৰংগ্ শক্তি আদিৰ জৰিয়তে ভাৰতীয় বায়ুসেনাই নিজৰ যুদ্ধৰ প্ৰস্তুতি সক্ৰিয়ভাৱে পৰীক্ষা কৰি আছে। এয়াৰ চীফ মাৰ্শ্বালগৰাকীয়ে লগতে কয় যে যুদ্ধৰ প্ৰস্তুতিৰ বাহিৰেও ভাৰতীয় বায়ুসেনাই সংকটৰ সময়ত ৰাষ্ট্ৰ আৰু মানৱতাৰ সেৱাৰ বাবে সদায় আগবাঢ়ি আহিছে।

০০০০০০০

প্ৰসিদ্ধ অভিনেতা নানা পাটেকাৰৰ আজি পুৱা নিজা বাসগৃহত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৫ বছৰ। পুৱাৰ ভাগত হঠাৎ বুকুৰ বিষ অনুভৱ কৰি অচেতন হৈ পৰাত তেওঁক ততালিকে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে প্ৰায় ৪৫ মিনিট ধৰি তেওঁৰ জীৱন ৰক্ষাৰ বাবে চেষ্টা চলোৱাৰ পাছতো চিকিৎসাৰ প্ৰতি সহঁাৰি নিদিয়াত তেওঁক মৃত ঘোষণা কৰা হয়। ভাৰতীয় চলচ্চিত্ৰ ক্ষেত্ৰৰ অন্যতম সন্মানীয় আৰু প্ৰতিভা সম্পন্ন অভিনেতা নানা পাটেকাৰ হিন্দী আৰু মাৰাঠী চলচ্চিত্ৰত কেইবা দশকজুৰি অভিনয়েৰে বিপুল খ্যাতি অৰ্জন কৰি আহিছিল। ১৯৫১ চনৰ ১ জানুৱাৰীত জন্মগ্ৰহণ কৰা এইগৰাকী অভিনতো আৰু চলচ্চিত্ৰ নিৰ্মাতাই নিজৰ শক্তিশালী সংলাপ প্ৰক্ষেপণ আৰু অতুলনীয় অভিনয় শৈলীৰে আৰম্ভণিৰে পৰা দৰ্শকৰ মন জিনি আহিছে। তিনিটা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা, চাৰিটা ফিল্ম ফেয়াৰ সন্মানেৰে বিভূষিত নানা পাটেকাৰক ২০১৩ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছিল। নাট্যাভিনয়ৰ সৈতে জড়িত নানা পাটেকাৰে মাৰাঠী চলচ্চিত্ৰৰে অভিনয়ৰ কেৰিয়াৰ আৰম্ভ কৰি ১৯৮৮ চনত একাডেমী এৱাৰ্ডৰ বাবে মনোনীত চালাম ব'ম্বে ছবিত অভিনয়েৰে শ্ৰেষ্ঠ সহশিল্পীৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছিল। পৰিণ্ডা, ক্ৰান্তিবীৰ, খামোশী দা মিউজিকেল, অবটক চপ্পন, অপহৰণ, ৰাজনীতিকে ধৰি কেইবাখনো চলচ্চিত্ৰত অভিনয়েৰে দৰ্শকক সম্পূৰ্ণ অন্য ধৰণৰ অভিজ্ঞতা দিয়া শিল্পীগৰাকী শিপাৰ সৈতে কোনো কাৰণতে বিচ্ছিন্ন নাছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে হিন্দী আৰু মাৰাঠী চলচ্চিত্ৰৰ যশস্বী অভিনেতাগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে নিজৰ অতুলনীয় অভিনয় দক্ষতা আৰু গভীৰ মননেৰে নানা পাটেকাৰে দৰ্শকক মানৱীয় উপলব্ধি প্ৰদান কৰিবলৈ সমৰ্থ হৈছিল। তেওঁৰ বিয়োগ ভাৰতীয় চলচ্চিত্ৰ জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি ৰাষ্ট্ৰপতিয়ে অভিহিত কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণেও নানা পাটেকাৰৰ বিয়োগত শোক প্ৰকাশ কৰিছে। বহুমুখী প্ৰতিভাৰ অধিকাৰী এইগৰাকী অভিনয় শিল্পীয়ে নিজৰ প্ৰতিভা আৰু কৰ্মৰে চলচ্চিত্ৰ প্ৰেমীৰ লগতে অনাগত বহু প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব বুলি তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খ্যাতনামা অভিনেতা নানা পাটেকাৰৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে অতি কম সংখ্যক অভিনেতাই গভীৰতাৰে অভিনয়ক উপলব্ধি কৰাৰ লগতে নিজৰ স্বকীয়তাৰে দৰ্শকৰ মনত স্থান লাভ কৰে। অভিনেতাগৰাকীয়ে অভিনয় কৰা প্ৰতিটো চৰিত্ৰকে নিজৰ অনন্য প্ৰতিভাৰে জীৱন্ত কৰি তুলিছিল বুলি তেওঁ উল্লেখ কৰে।

বাইট

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও অভিনেতাগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। অসাধাৰণ কণ্ঠ আৰু দুৰ্দান্ত অভিনয়েৰে নানা পাটেকাৰে অভিনয় জগতলৈ আগবঢ়োৱা অৱদান চিৰস্মৰণীয় হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি ঐতিহাসিক জালিয়ানৱালাবাগ স্মাৰকৰ পুনৰ উন্নীতকৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা সন্দৰ্ভত আলোকপাত কৰা হৈছে।

জালিয়ানৱালাবাগৰ কথা উল্লেখ কৰাৰ লগে লগে ১৯১৯ চনৰ ১৩ এপ্ৰিলত ব্ৰিটিছ বিষয়া ব্ৰিগেডিয়াৰ জেনেৰেল ডায়াৰৰ নেতৃত্বত সহস্ৰাধিক নিৰীহ লোক নিহত হোৱাৰ ঘটনাৰ কথা মনলৈ আহে। ৰাউলাট আইনৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ বাবে এই লোকসকল শান্তিপূৰ্ণভাৱে সমবেত হৈছিল। এই লোকসকলৰ স্মৰণত নিৰ্মাণ কৰা স্মাৰক উন্নীতকৰণেৰে ২০২১ চনৰ ২৮ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰে। উন্নীতকৰণৰ সময়ত এই ইতিহাস সংৰক্ষণৰ বাবে স্থানীয় স্থাপত্যৰ আৰ্হিৰে ভালেমান নতুন দিশ সংযোজন কৰা হয়। এই স্মাৰকত চাৰিটা সংগ্ৰহালয় বীথিকাৰ লগতে শব্দ আৰু আলোক প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

ইজিপ্তৰ কাইৰোত আজিৰে পৰা চলিত বৰ্ষৰ আই এছ এছ এফ শ্বুটিং বিশ্বকাপ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনত অলিম্পিকৰ পদক বিজয়ী স্বপ্নীল কুছালে আৰু সৰবজোৎ সিঙকে ধৰি ভাৰতৰ হৈ এটা ৩৫ জনীয়া দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

এয়া হ'ল ৰাইফল আৰু পিষ্টল শ্বুটাৰৰ বাবে বছৰৰ চতুৰ্থ আৰু অন্তিমখন আই এছ এছ এফ বিশ্বকাপ। ইজিপ্তৰ আন্তঃৰাষ্ট্ৰীয় অলিম্পিক চহৰৰ শ্বুটিং ৰেঞ্জত ১০ অক্টোবৰৰ পৰা ১৫ অক্টোবৰলৈ পদক লাভৰ বাবে শিতানসমূহ অনুষ্ঠিত কৰা হ'ব। কাইৰোলৈ যোৱা ৩৫ গৰাকী ভাৰতীয় শ্বুটাৰৰ ভিতৰত ১১ গৰাকীয়ে আছুতীয়াকৈ "ৰেংকিং পইণ্ট অনলি" শিতানত ভাগ ল'ব।

নেশ্যনেল ৰাইফল এছ'চিয়েশ্যন অৱ ইণ্ডিয়াই নতুন ছিজনৰ বাবে খেলুৱৈ বাছি উলিওৱাৰ পৰিকল্পনাৰ সৈতে সংগতি ৰাখি খেলুৱৈৰ পৰিৱৰ্তন নীতিৰ আধাৰত আইচি-নাগোয়াত সদ্য সমাপ্ত এছিয়ান গেমছ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দলটোৰ ঠাইত কাইৰোলৈ বুলি সম্পূৰ্ণ পৃথক দল এটা প্ৰেৰণ কৰিছে।

০০০০০০০

সমাপ্ত